# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-02-2025
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

**- - - - - - - - - - - - - - -**

০০০০০

ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদে বিদ্যালয় শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তনৰ সূচনাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে ৰাজ্যত নম্বৰবিহীন শিক্ষা ব্যৱস্থা আৰম্ভ কৰিবলৈ সাজু হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদৰ সঞ্চালক ড০ নিৰদা দেৱীয়ে এই কথা প্ৰকাশ কৰি কয় যে এই ব্যৱস্থাত শিক্ষাৰ্থীসকলে প্ৰাথমিক, অগ্ৰগতি, দক্ষ আৰু উন্নত এই চাৰিটা স্তৰত গ্ৰেড দিয়া হ'ব। এই ব্যৱস্থা প্ৰথম পৰ্যায়ত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত আৰম্ভ হ'ব আৰু পৰৱৰ্ত্তী পৰ্যায়ত অষ্টম শ্ৰেণীলৈ নম্বৰবিহীন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ইতিমধ্যে ৮ পৃষ্ঠাৰ শিক্ষাৰ্থীৰ সৰ্বাংগীন অগ্ৰগতিৰ খতিয়ান পঞ্জী অৰ্থাৎ ৰিপোৰ্ট কাৰ্ড প্ৰস্তুত কৰি উলিয়াইছে। বিদ্যালয়ত নামভৰ্তিৰ সময়ৰ পৰা প্ৰতি তিনি মাহৰ মূৰে মূৰে শিক্ষাৰ্থীৰ পৰ্যবেক্ষণৰ অন্তত ৰিপোৰ্ট কাৰ্ডত মান নিৰূপণ কৰা হ'ব। এই নম্বৰবিহীন ব্যৱস্থাৰ জৰিয়তে প্ৰতিযোগিতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনে ডিব্ৰুগড় চহৰৰ গাতে লাগি থকা ব্ৰহ্মপুত্ৰৰ পাৰত দীৰ্ঘ সময় ধৰি অবৈধভাৱে বসবাস কৰি থকা সন্দেহযুক্ত লোকৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰ্মল ঘোষৰ নেতৃত্বত আৰক্ষীৰ দলটোৱে কাছাৰীঘাটৰ পৰা কয়লাঘাট আৰু মালিপট্টীলৈকে থকা ৪০টাৰো অধিক বাসগৃহ উচ্ছেদ কৰে। ডিব্ৰুগড় নগৰ সুৰক্ষা বান্ধৰ পাৰ্শ্বৱৰ্ত্তী এলেকাত বসবাস কৰি থকা লোকসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধৰ বাবে চলাই থকা কাম-কাজতো ব্যাঘাট জন্মিছে বুলি দীৰ্ঘদিন ধৰি সচেতন মহলে অভিযোগ কৰি আহিছিল।

০০০০০

ৰাজ্যৰ গৃহ নিৰ্মানৰ অনুমতি লাভৰ ব্যৱস্থাটো সু-শৃংখলিত কৰাৰ উদ্দেশ্যে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি অনলাইন গৃহ নিৰ্মাণৰ অনুমতি প্ৰণালী নামৰ ডিজিটেল মঞ্চ মুকলি কৰে। এতিয়াৰে পৰা নিৰ্মাণৰ অনুমতিৰ বাবে সকলো আৱেদন অনলাইন পৰ্টেলৰ জৰিয়তে দাখিল কৰিব লাগিব। গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এই মঞ্চই ৰাজ্যত নিৰ্মাণৰ অনুমতি প্ৰক্ৰিয়াক অধিক দক্ষ, স্বচ্ছ আৰু দুৰ্নীতি মুক্ত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাই নগৰ পৰিকল্পনাত

দায়বদ্ধতা বৃদ্ধি কৰি নাগৰিক আৰু ব্যৱসায়ৰ বাবে অসুবিধামুক্ত অভিজ্ঞতা নিশ্চিত কৰিব। এই মঞ্চৰ জৰিয়তে গৃহ নিৰ্মাণৰ অনুমতি প্ৰক্ৰিয়া অধিক সুচল আৰু দুৰ্নীতিমুক্ত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে অনুমোদনৰ উপৰি নিৰ্মাণৰ স্থিতিৰ বিষয়ে অৱগতকৰণ, প্লিনথ স্তৰৰ নিৰীক্ষণ আৰু অধিকাৰ প্ৰমাণ পত্ৰৰ দৰে সেৱাও একেখন মঞ্চত উপলব্ধ হ'ব। যোৰহাট, ডিব্ৰুগড়, নগাঁও, শিলচৰ, নলবাৰী, টিহু, ৰঙিয়া, বৰপেটা, ধুবুৰী, বঙাইগাঁও আদিকে ধৰি ৫০ হাজাৰ বা ইয়াৰ অধিক জনসংখ্যাৰ চহৰসমূহত এই ব্যৱস্থা মুকলি কৰা হৈছে। এই ব্যৱস্থা শীঘ্ৰেই ৰাজ্যৰ আন চহৰসমূহলৈ সম্প্ৰসাৰিত কৰা হ'ব।

ooooo

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে **কৃষি আৰু আনুষংগিক খণ্ডত বতৰ আৰু জলবায়ু ভিত্তিক সিদ্ধান্তৰ বাবে অগ্ৰণী প্ৰযুক্তি কৌশল** শীৰ্ষক এখন ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বতৰ বিজ্ঞান সংঘৰ উদ্যোগত আয়োজন কৰা এই সন্মিলন কালি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমহন্তই কৃষি ক্ষেত্ৰত বতৰ বিজ্ঞানৰ ভূমিকা আৰু শেহতীয়া তথ্য প্ৰযুক্তিৰ জৰিয়তে কৃষকক সকাহ দিয়াৰ বিষয়ত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশে যথোচিত মাত্ৰাত খাদ্য উৎপাদনৰ বাবে সঠিকভাৱে বতৰৰ ৰেহৰূপ নিৰ্ধাৰণ কৰাটো অতি প্ৰয়োজনীয়। এই অনুষ্ঠানতে কৃষি বতৰ বিজ্ঞান ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে বতৰ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক তথা বিজ্ঞানী ড০ কমলাকান্ত নাথ, ড০ ৰফিউল হুছেইন আৰু ড০ পূন্য গগৈ খনিকৰক সন্মান জনোৱা হয়। সন্মিলনত দেশৰ বিভিন্ন প্ৰান্তৰ কৃষি বিজ্ঞানী, বতৰ বিজ্ঞানী, জলবায়ু বিশেষজ্ঞ, প্ৰযুক্তিবিদ, গৱেষক তথা ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি নিশা অহা ধুমুহা আৰু শিলাবৃষ্টিত বিস্তৰ ক্ষতি হোৱাৰ বাতৰি আমালৈ আহিছে। তিনিচুকীয়া জিলাৰ ডুমডুমা আৰু ডিগবৈ অঞ্চলত হোৱা শিলাবৃষ্টি আৰু ধুমুহাৰ ফলত ৰবি শস্যৰ ব্যাপক ক্ষতিসাধনৰ লগতে বহুকেইটা বাসগৃহৰ ক্ষতি হয়। ধুমুহাৰ ফলত বহু অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। ডিব্ৰুগড় জিলাৰ টেঙাখাট অঞ্চলত ধুমুহা আৰু শিল-বৰষুণে ঘৰ-দুৱাৰ, গছ-গছনি আৰু বৈদ্যুতিক খুঁটা উভালি পৰাত যাতায়তৰ লগতে বৈদ্যুতিক সেৱাও ব্যাহত হৈ পৰে। ক্ষতিগ্ৰস্ত ২৭টা পৰিয়ালক টেঙাখাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা টিনপাত যোগান ধৰা হয়। একেদৰে চৰাইদেউ জিলাৰ মাহমৰাত প্ৰচণ্ড ধুমহা আৰু শিলাবৃষ্টিৰ ফলত বিদ্যালয় গৃহকে ধৰি কৃষকসকলৰ বিস্তৰ ক্ষতি হয়।

ooooo

সমাপ্ত